**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-02-2025 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে আজি আৰু কাইলৈ গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে কালি খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰদৰ্শনী পৰিদৰ্শন কৰে। শ্ৰী মোদীয়ে প্ৰদৰ্শনীত অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰে। এই প্ৰদৰ্শনীত দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ প্ৰতিষ্ঠান আৰু ৰাজ্যৰ বহু ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে ঔদ্যোগীক দিশসমূহ প্ৰদৰ্শন কৰিছে। প্ৰদৰ্শনীত অসমৰ সকলো পৰম্পৰাগত বস্ত্ৰ সম্ভাৰ, পৰ্যটনৰ সম্ভাৱনাৰ আৰম্ভ কৰি ৰাজ্যৰ পৰম্পৰাগত শক্তি আৰু ভৱিষ্যতৰ সম্ভাৱনা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। কালি প্ৰধানমন্ত্ৰীয়ে প্ৰদশনী পৰিদৰ্শন কৰাৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, তথ্য প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্য সচিব ড° ৰবি কোটাও উপস্থিত থাকে। এডভাণ্টেজ আছামত ৰিলায়েন্স, আদানী, বেদান্ত, জে এছ্ ডব্লিউ, ৰেলস্পুন গ্ৰুপকে ধৰি দেশ-বিদেশৰ শীৰ্ষ উদ্যোগপতিসকলে ভাগ ল'ব।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰৰ বাবে অনুমোদন জনোৱা হৈছে যদিও এই বিনিয়োগৰ পৰিমাণ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতি পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয়, যে প্ৰথমবাৰৰ বাবে অসমত ভালেসংখ্যক দেশী-বিদেশী প্ৰতিনিধি আৰু বিনিয়োগকাৰীৰ সমাগম হোৱাটোৱেই ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি আশা কৰিব পাৰি। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰৰ নেতৃত্বত ৬১ খন দেশৰ ৰাষ্ট্ৰদূত তথা উচ্চায়ুক্তসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল এই শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাবে অসমলৈ আহিছে।

০০০০০০০

চাহ উদ্যোগ তথা চাহ জনজাতিৰ উন্নয়নে অনাগত সময়ত অসমৰ বিকাশৰ গতি ত্বৰান্বিত কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। গুৱাহাটীৰ সৰুসজাইত কালি ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ শুভাৰম্ভ কৰি তেওঁ কয়, যে এসময়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপেক্ষিত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে বৰ্তমানৰ চৰকাৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন সংস্কৃতিৰ নিজকে ব্ৰেণ্ড এম্বেছেডৰ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ঝুমইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ গৌৰৱ বৃদ্ধি কৰাৰ লগতে ভাৰতৰ বৈচিত্ৰ্য প্ৰকট কৰা বুলি উল্লেখ কৰে। চাহ জনগোষ্ঠীৰ সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে কয়, যে চাহ বাগিছা অঞ্চলত বসবাস কৰা ল'ৰা-ছোৱালীৰ বাবে চৰকাৰে এশখন বিদ্যালয়ৰ লগতে এশতকৈও অধিক আদৰ্শ বিদ্যালয় স্থাপন কৰিছে। একেদৰে তিনিশতকৈ অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ নিৰ্মাণ, গৰ্ভৱতী মহিলাক ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্যৰ উপৰি চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ কথাও তেওঁ ভাষণত

উল্লেখ কৰে। শ্ৰীমোদীয়ে এই বৰ্ণাঢ্য অনুষ্ঠান আয়োজনৰ বাবে অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়।

অনুষ্ঠানত আদৰণি ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালিৰ দিনটো অসমৰ জাতীয় জীৱনৰ বাবে এটা উজ্বল দিন বুলি অভিহিত কৰে। ড০ শৰ্মাই চৰাইদেউ মৈদামক ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদান, অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা আৰু নামৰূপ সাৰ কাৰখানাৰ পুনৰ উজ্জীৱিতকৰণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, গুৱাহাটী সৰুসজাই ষ্টেডিয়ামত কালি আঠ হাজাৰৰো অধিক শিল্পীয়ে একেলগে ঝুমুৰ নৃত্য পৰিৱেশন কৰে। চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ববাসীৰ সন্মুখলৈ লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা এই কাৰ্যসূচী প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও উপভোগ কৰে। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান প্ৰত্যক্ষ কৰে। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব'ও প্ৰদৰ্শন কৰা হয়।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সেতুবন্ধ কাৰ্যসূচীৰ অধীনত কাইলৈ সভাৰ এটা প্ৰতিনিধি দল অৰুণাচল প্ৰদেশলৈ যাব। বিভিন্ন ৰাজ্যৰ জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰাৰ বাবে লোৱা কাৰ্যসূচীৰ অধীনত অসম সাহিত্য সভাই এই ব্যৱস্থা গ্ৰহণ কৰিছে। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই প্ৰকাশ কৰা মতে অৰুণাচলৰ নিচি জনগোষ্ঠীয় সংগঠন নিচি ইলাইট ছ'চাইটিৰ উদ্যোগত চিজুছাত হ'বলগীয়া ন্যুকুম য়ল্লু অনুষ্ঠানত দলটোৱে অংশ ল'ব। এই দলটোত সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ডঃ জ্যোতিৰেখা হাজৰিকা, সাংগঠনিক সম্পাদক অপূৰ্ব ফুকনৰ লগতে কেইবাগৰাকীও ব্যক্তি আছে।

০০০০০০০

**সমাপ্ত**